## 6.8. নিৰ্দেশনা কাৰ্য্যসূচীত বিদ্যালয়ৰ পৰামৰ্শদাতা গৰাকীৰ ভূমিকা (Role of School Counsellor in Guidance Programme) ঃ

এখন বিদ্যালয়ৰ পৰামৰ্শদাতাগৰাকীয়ে শিক্ষাৰ্থীসকলৰ জীৱনত গভীৰভাৱে প্ৰভাৱ পেলায়। এখন বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে তেওঁলোকৰ ব্যক্তিগত সামাজিক আৰু স্কুলীয়া জীৱনত বিভিন্ন সমস্যাৰ সন্মুখীন হয়, বিদ্যালয়ৰ পৰামৰ্শগৰাকীয়ে এই সমস্যাবোৰৰ সমাধান কৰাত উপযুক্ত পৰামৰ্শ আগবঢ়ায়। এজন শিক্ষক হ'ল শিক্ষাৰ্থীসকলৰ বন্ধু, পথ প্ৰদৰ্শক আৰু দাৰ্শনিক সেয়েহে বিদ্যালয়ৰ পৰামৰ্শদাতাজনে শিক্ষাৰ্থীসকলৰ বিভিন্ন সমস্যাবোৰ বুজি পায়।

বিদ্যালয়ৰ পৰামৰ্শদানকাৰীজনে শিক্ষাৰ্থীসকসলক বিভিন্ন বিষয়, উপযুক্ত শিক্ষানুষ্ঠান, উপযুক্ত বৃত্তি আদি বাছনি কৰাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহৰ উপযুক্ত সন্ধান দিব পাৰে। এখন বিদ্যালয়ৰ পৰামৰ্শদাতাজনৰ ভূমিকা বিদ্যালয়ৰ অৱস্থিতি, (Location) পৰিবেশ, জনসংখ্যা অনুযায়ী ভিন ভিন হ'ব পৰে। নিৰ্দেশনা কাৰ্য্যসূচীত বিদ্যালয়ৰ পৰামৰ্শদাতাগৰাকীৰ ভূমিকা সম্পৰ্কে তলত আলোচনা কৰা হ'ল—

1. **মনোবৈজ্ঞানিক অভীক্ষা পৰিচালনা কৰা (Administer Psychological Tests) ঃ**
   বিদ্যালয়ৰ পৰামৰ্শদানকাৰীজনৰ মনোবিজ্ঞানৰ প্ৰকৃত জ্ঞান থাকিলে তেওঁ বুদ্ধি, ব্যক্তিত্ব, মনোযোগ, স্মৃতি আদিৰ পৰীক্ষা কৰি শিক্ষাৰ্থীসকলক বিজ্ঞানসন্মত ভাৱে আগুৱাই নিব পাৰে।

2. **ফলাফল ব্যাখ্যা কৰা (Interpret its Results) ঃ** বিদ্যালয়ৰ পৰামৰ্শদানকাৰীজনে বিভিন্ন মনোবৈজ্ঞানিক পৰীক্ষাসমূহৰ সুফল (Merits) আৰু কুফল (Demerits) সম্পৰ্কে শিক্ষাৰ্থীসকলৰ মনত বুজাই দিব লাগিব। ফলাফল সম্পৰ্কে জানিলে শিক্ষাৰ্থীসকল আগ্ৰহী হ'ব।

3. **বিষয় আৰু বৃত্তি সম্পৰ্কে জ্ঞান (Knowledge about Course and Vocations) ঃ** বিদ্যালয়ৰ পৰামৰ্শদানকাৰীজনে বিভিন্ন বিষয় আৰু সংস্থাপন বা বৃত্তি সম্পৰ্কীয় তথ্যৰ যোগান ধৰিব পাৰে। এজন শিক্ষাৰ্থীয়ে

Scanned by CamScanner

ভৱিষ্যতে কেনেদৰে পঢ়া দৰকাৰ, কেনেদৰে ভৱিষ্যত বৃত্তিৰ বাবে বিষয় বাছনি কৰা দৰকাৰ আদিৰ ক্ষেত্ৰত প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়াব পাৰে।

4. **ব্যক্তিগত পৰামৰ্শদান (Individual Counselling) ঃ** এখন বিদ্যালয়ৰ সকলো শিক্ষাৰ্থীৰে বুদ্ধি বা যোগ্যতা সমপৰিমাণৰ নহয়। ব্যক্তি বিশেষে ইয়াৰ পাৰ্থক্য দেখা যায়। সেয়েহে পৰামৰ্শদানকাৰীজনে শিক্ষাৰ্থীৰ ভিন্নতা লক্ষ্য কৰি লাগিলে ব্যক্তিগতভাৱেও পৰামৰ্শ দিব লাগিব পাৰে।

5. **উৎসাহ-উদ্দীপনা প্ৰদান কৰা (Giving Enthusiasm) ঃ** সকলো সময়তে পৰামৰ্শদানকাৰীজনে শিক্ষাৰ্থীসকলক কামত উৎসাহ যোগাব লাগে। বিদ্যালয়ত এটা গণতান্ত্ৰিক ভাৱধাৰাৰ সৃষ্টি কৰি শিক্ষাৰ্থীসকলক সকলো কামতে অংশগ্ৰহণ কৰাৰ এটা পৰিবেশ গঢ় দিব লাগে।

6. **জটিল সমস্যা সমাধানত সহায় কৰা (Helps to Solve difficult problems) ঃ** বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে সকলো সময়তে তেওঁলোকৰ জটিল সমস্যাবোৰ সমাধান কৰিবলৈ আনৰ সহায় বিচাৰে। সেয়েহে বিদ্যালয়ৰ পৰামৰ্শদাতাজনে এই বিষয়ত উপযুক্ত সহায় আগবঢ়াব লাগে।

7. **কৰ্ম সংস্থাপনত সহায় কৰা (Assist in job placement) ঃ** আমাৰ সমাজত দেখা যায় যে বহুটো শিক্ষাৰ্থীৰ উপযুক্ত দক্ষতা থকাৰ পিছটো নিৰ্দেশনা আৰু পৰামৰ্শৰ অভাৱৰ বাবে দক্ষতাক সঠিকভাৱে ব্যৱহাৰ কৰিব নোৱাৰে। সেয়েহে বিদ্যালয়ৰ পৰামৰ্শদানকাৰীজনে এজন বন্ধু, পথপ্ৰদৰ্শক আৰু দাৰ্শনিক হিচাপে সহায় আগবঢ়াব লাগে।

8. **সহঃপাঠ্যক্ৰমৰ ওপৰত গুৰুত্বদান (Emphasis on Co-Curricular Activities) ঃ** এখন বিদ্যালয়ৰ সহঃ পাঠ্যক্ৰমৰ কাৰ্য্যসূচীয়ে শিক্ষাৰ্থীসকলৰ ভাল অভ্যাস (good habit) গঢ়ি তোলাত যথেষ্ট পৰিমাণে সহায় কৰে। ইয়ে শিক্ষাৰ্থীসকলৰ সম্ভাৱনা থকা মূল দক্ষতা সমূহৰ বিকাশ সাধন কৰে। সেয়েহে পৰামৰ্শদানকাৰীজনে বিদ্যালয়ৰ বিভিন্ন সহঃ পাঠ্যক্ৰমৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

Scanned by CamScanner